# ভাল ৰজা যোচিয়াই ঈশ্বৰৰ বাক্য মানি চলিছিল

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল পিতৃ, ল’ৰা-ছোৱালীবিলাকক সহায় কৰক যেন তেওঁলোকে আপোনাৰ বাক্য বিশ্বাস কৰে আৰু সন্মান কৰে।”

ল’ৰা-ছোৱালীবিলাকৰ বয়স আৰু আত্মিক উন্নতিৰ প্ৰয়োজনীয়তা আৰু মাপ-কাঠিৰ খাপ খোৱাকৈ শিকাবলগীয়া কামবোৰ বাচি লওক।

ল’ৰা ৰজা যোচিয়াৰ কাহিনীটো ক’বলৈ যুগুত কৰি লওক। ২ বংশাৱলী ৩৪ঃ১-২১ আৰু ২৯-৩৩ পদ কেইটা পঢ়ক। এই শাস্ত্ৰাংশ খিনিয়ে বাইবেল মানি চলা কথাটো কিমান মূল্যবান এই বিষয়ে কৈছে।



এজন ডাঙৰ ল’ৰাক কাহিনীটো মনৰ পৰা বা পঢ়ি ক’বলৈ দিয়ক। তাৰ পাচত এই প্ৰশ্নকেইটা সোধক *(প্ৰত্যেকটো প্ৰশ্নৰ লগতে উত্তৰবিলাকো দিয়া হৈছে।)*

- মিছা ঈশ্বৰৰ প্ৰতিমা আৰু বেদীবোৰ ৰজা যোচিয়াই কি কৰিছিল? *(৩-৪ পদ চাওক)*
- হিল্কিয়া পুৰোহিতে ঈশ্বৰৰ বিধান পুস্তকখন ক’ত পাইছিল? *(১৫ পদ)*
- ৰজাই যেতিয়া ঈশ্বৰৰ বাক্য পঢ়িলে আৰু এই কথা জানিলে যে লোকবিলাকে তাক অমান্য কৰিছে, তেতিয়া তেওঁ যে অতি দুখিত, এইকথা কিদৰে প্ৰকাশ কৰিছিল? *(১৯ পদ)*
- ঈশ্বৰৰ বাক্য শুনাৰ পাচত মানুহবিলাকে একেলগে কি কৰিবলৈ মান্তি হৈছিল? *(৩২ পদ)*
- ৰজাই ঈশ্বৰৰ বাক্য মানি চলি যি আদৰ্শ দেখুৱাইছিল তাক মানুহবিলাকে অনুসৰণ কৰিছিলনে? *(৩৩ পদ)*

**কামবোৰ ঃ**

- সৰু ল’ৰা-ছোৱালীৰ বাবে ঃ বাইবেলখন ক’ৰবাত লুকুৱাই থওক আৰু সিহঁতক বিচাৰিবলৈ দিয়ক। তাৰ পাচত বুজাই দিয়ক যে যোচিয়া ৰজাৰ দিনত এনেকুৱাই হৈছিল।
- ডাঙৰ ল’ৰা-ছোৱালীৰ বাবে (তেওঁলোকৰ যদি বাইবেল আছে) বাইবেলৰ পৰা কিছুমান কিতাপ, অধ্যায় আৰু পদ কৈ দিয়ক আৰু ল’ৰা-ছোৱালীবিলাকক বিচাৰি উলিয়াবলৈ দিয়ক। যিমান সোনকালে পাৰে সিমান সোনকালে উলিয়াবলৈ দিয়ক। এনে কৰিলে, বাইবেলৰ ক’ত কি আছে তাক জানিবলৈ তেওঁলোকক সহায় কৰা হ’ব।

যোচিয়া ৰজাৰ কাহিনীটোৰ কিছু অংশ নাটক কৰি দেখুৱাওক।

- প্ৰধান উপাসনা চলাওঁতাজনৰ লগত আলোচনা কৰি ল'ৰা-ছোৱালীবিলাকক এই নাটকখন কৰি দেখুৱাবলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালীবিলাকে সৰু সৰু বিলাকক নাটকখন যুগুত কৰাত সহায় কৰিবলৈ দিয়ক।
- কোনো ডাঙৰ ল'ৰা-ছোৱালী বা বয়সস্থক যোচিয়া, হিল্কিয়া আৰু ল'ৰা-ছোৱালীবিলাকে কি ক'ব লাগে বা কৰিব লাগে তাক মনত পেলাই দিবলৈ সহায় কৰা আৰু কাহিনীটো চমুকৈ কৈ দিয়াজনৰ চৰিত্ৰ কেইটা অনুকৰণ কৰিবলৈ দি দিয়ক।
- সৰু সৰু ল'ৰা-ছোৱালীবিলাকক কাম কৰা মানুহৰ চৰিত্ৰ আৰু আন চৰিত্ৰবোৰৰ ভাও দিয়ক। কাম কৰা বিলাকে কিতাপ এখন মেজ বা চকীৰ ওপৰত এখন কাগজৰ তলত লুকুৱাই থব দিয়ক। মানুহবিলাকৰ লগত বেদীৰ কাৰণে এদম শিলগুটি, মুদ্ৰাৰ কাৰণে সৰু শিলবোৰ আৰু এটা সৰু বাকচ ৰাখক।

**বৰ্ণনাকাৰী ঃ** ২ বংশাৱলি ৩৪ঃ১-২১ পদৰ পৰা গল্পটোৰ প্ৰথম অংশখিনি কৈ দিয়ক। কওক, "যোচিয়া ৰজাই মানুহবিলাকক কি কৈছে শুনা।"

**যোচিয়া ঃ** "ইস্ৰায়েলৰ লোকসকল, আমাৰ প্ৰতিমাবোৰেৰে আমি প্ৰভুৰ খং উঠাইছো। আহাঁ, সেইবোৰ আমি ধ্বংস কৰি দিওঁ।

**মানুহবিলাক ঃ** শিলৰ বেদীৰ ওপৰত টোকৰ মাৰক।

**যোচিয়া ঃ** "ঈশ্বৰৰ মন্দিৰ আমি পুনৰ নিৰ্মাণ কৰিব লাগে।" এই কামৰ বাবে ইমান টকা-পইচা কোনে দিব?"

**মানুহবিলাক ঃ** "পইচাবোৰ" বাকচটোৰ ভিতৰত থ'ব। "আমি মন্দিৰ মেৰামত কৰিবলৈ আমাৰ দানবোৰ দিছোঁ!"

**কৰ্ম্মীসকল ঃ** পইচাখিনি ল'ব আৰু নিৰ্মাণ কৰাৰ ভাও ল'ব। কিতাপখন বিচাৰি পাব আৰু হিলকায়াক দিব।

**হিল্কিয়া ঃ** "চাওক ৰজা যোচিয়া। মন্দিৰত আমি কি পালো চাওক! এইখন ঈশ্বৰৰ বিধান। কিন্তু ইয়াত কি কৈছে তাক আমি কৰা নাই। আমি ঈশ্বৰৰ অবাধ্য হৈছো।"

**ৰজা ঃ** ক্ষন্তেক কিতাপখন চায়। তাৰ পিচত কয়, "আটাই লোকসমূহক গোট খাবলৈ দিয়ক! ঈশ্বৰে কি কৈছে তেওঁলোকে শুনা উচিত। তেওঁৰ বিধান মানি নচলাৰ বাবে ঈশ্বৰক আমি ক্ষমা খোজা উচিত।"

**মানুহবিলাক ঃ** "আপুনি ভাল ৰজা।" আমি আপোনাৰ আদেশ পালন কৰিম।

**ডাঙৰ ল'ৰা/ছোৱালী বা বয়সস্থ ঃ** নাটকখন কৰা হৈ যোৱাৰ পাচত, যিসকলে সহায় কৰিলে তেওঁলোকক ধন্যবাদ দিয়ক।

**প্ৰশ্ন ঃ** যদি বয়সস্থ সকলৰ বাবে ল'ৰা-ছোৱালীয়ে নাটকখন কৰে তেন্তে তেওঁবিলাকক ওপৰত উল্লেখ কৰা প্ৰশ্নবিলাকো সুধিবলৈ দিয়ক।

এখন বাইবেলৰ ছবি আঁকক আৰু ল'ৰা-ছোৱালীবিলাকক সেই ছবি চাই আঁকিব দিয়ক। ডাঙৰবিলাকে হয়তো ল'ৰা এটাই বাইবেলখন বুকুৰ ওচৰত ধৰি থকা ছবিহে আঁকিবলৈ ইচ্ছা কৰিব।



- উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবিলাকক সেই ছবিখন ডাঙৰসকলক দেখুৱাবলৈ দিয়ক।
- এই ছবিখনে যে আমি ঈশ্বৰক কেনেকৈ ভালপাওঁ আৰু কেনেকৈ তেওঁৰ বিষয়ে সকলো সময়তে ভাবি থাকোঁ এই কথাই বৰ্ণনা কৰিছে বুলি বুজাবলৈ দিয়ক।

ঈশ্বৰে তেওঁৰ লোকসকলৰ তেওঁৰ বাক্যৰ দ্বাৰাই কেনেকৈ পৰিচালনা কৰিছে সেই বিষয়ে আন আন উদাহৰণবোৰো ল'ৰা-ছোৱালীবোৰক ক'বলৈ দিয়ক।

**কবিতা ঃ** কেবাজনো ল'ৰা-ছোৱালীক, প্ৰত্যেকজনকে গীতমালা ১১৯ঃ১-২ আৰু ৯-১১ পদৰ পৰা এটাকৈ পদ আবৃতি কৰিবলৈ দিয়ক।

ডাঙৰ ল'ৰা-ছোৱালীবিলাকক ঈশ্বৰৰ বাক্যই আমাক কেনেকৈ সহায় কৰে সেই বিষয়ে কবিতা নাইবা গান লিখিবলৈ দিয়ক।

সৰু ল'ৰা-ছোৱালীবিলাকক ২ তীমথিয় ৩ঃ১৬ পদ আৰু ডাঙৰ বিলাকক ২ তীমথিয় ৩ঃ১৬-১৭ পদ মুখস্থ কৰিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "পিতৃ ঈশ্বৰ, তোমাৰ বাক্যই আমাক পৰিচালনা কৰে আৰু শান্তনা দান কৰে। তোমাৰ বাক্য বুজি পাবলৈ আমাক সহায় কৰা যাতে সেইবোৰ আমি মানি চলিব পাৰো আৰু আনন্দ পাব পাৰো।



Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net